অমিক্ৰনে সৃষ্টি কৰিছে উদ্বেগৰ

# দৰ্শকবিহীনভাৱে অনুষ্ঠিত হ'ব ভাৰত-দক্ষিণ আফ্ৰিকাৰ শৃংখলা

**জোহানেছবাৰ্গ, ২০ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত ২৬ ডিচেম্বৰৰ পৰা আৰম্ভ হ'ব টেষ্ট শৃংখলা। এই শৃংখলাৰ বাবে কোনো টিকেট এতিয়াও বিক্ৰী কৰা নাই দেশখনৰ ক্ৰিকেট ব'ৰ্ডে। শেহতীয়াকৈ ক্ৰিকেট দক্ষিণ আফ্ৰিকাই জনাইছে যে ক'ভিডৰ নতুন ভেৰিয়েণ্ট অমিক্ৰনে উদ্বেগৰ সৃষ্টি কৰাৰ বাবে ভাৰতৰ বিৰুদ্ধে শৃংখলাৰ খেল অনুষ্ঠিত হ'ব দৰ্শক বিহীনভাৱে। খেলুৱৈ আৰু ষ্টাফৰ সুৰক্ষাৰ বিষয়টোত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে বুলি দক্ষিণ আফ্ৰিকাৰ ব'ৰ্ডে প্ৰকাশ কৰিছে। ক্ৰিকেট দক্ষিণ আফ্ৰিকাই এক বিবৃতি প্ৰকাশ কৰা মতে ভাৰতীয় বৰ্ডৰ সৈতে আলোচনা কৰি শৃংখলাটো দৰ্শক বিহীনভাৱে আয়োজনৰ সিদ্ধান্ত লোৱা হয়। টেষ্ট শৃংখলাৰ পাছতে তিনিখন মেচৰ এদিনীয়া শৃংখলাত অংশ ল'ব ভাৰত-দক্ষিণ আফ্ৰিকাই। ভাৰত-দক্ষিণ আফ্ৰিকাৰ মাজৰ শৃংখলাৰ কোনো টিকেট বিক্ৰী কৰা নহয় বুলি ক্ৰিকেট দক্ষিণ আফ্ৰিকাই সোমবাৰে ঘোষণা কৰিছে। উল্লেখ্য অমিক্ৰনৰ সংক্ৰমণৰ মাজতে শৃংখলাত অংশ লোৱাৰ প্ৰস্তুতি চলাইছে ভাৰত-দক্ষিণ আফ্ৰিকাই। দেশখনৰ প্ৰধান ঘৰুৱা প্ৰতিযোগিতা চাৰি দিনীয়া ফ্ৰেঞ্চাইজী ছিৰিজৰ অৱশিষ্ট ৰাউণ্ড সমূহ স্থগিত ৰখাৰ কথা দেওবাৰে ঘোষণা কৰিছে ক্ৰিকেট দক্ষিণ আফ্ৰিকাই (চি এছ এ)।



ৰাফেল নাডাল

## ক'ৰনাত আক্ৰান্ত নাডাল

**মাদ্ৰিদ, ২০ ডিচেম্বৰঃ** ক'ৰনাত আক্ৰান্ত হৈছে স্পেনিছ টেনিছ তাৰকা ৰাফেল নাডাল। সোমবাৰে এই কথা প্ৰকাশ কৰিছে খেলুৱৈজনে। যোৱা সপ্তাহত আবু ধাবিত এখন প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাত অংশ লোৱাৰ পাছত স্পেইনলৈ উভতি আহিছিল খেলুৱৈজন। টুইটাৰত নাডালে লিখিছে— 'মই কিছু অসুবিধাজনক অৱস্থাত আছো। কিন্তু মোৰ বিশ্বাস ক্ৰমাগতভাৱে মই সুস্থ হৈ উঠিম। মই এতিয়া নিজকে ঘৰত আৱদ্ধ কৰি ৰাখিছো। মোৰ সংস্পৰ্শলৈ অহা সকলক মই ক'ৰনাত আক্ৰান্ত হোৱাৰ বিষয়ে অৱগত কৰিলো।' ক'ৰনাত আক্ৰান্ত হোৱাৰ ফলত অষ্ট্ৰেলিয়ান অ'পেনত নাডালৰ অংশ গ্ৰহণ অনিশ্চিত হৈ পৰিল। যোৱা ছমাহ আঁঠুৰ আঘাতৰ সৈতে সংগ্ৰাম কৰি থকা খেলুৱৈজনে উইম্বলডন আৰু অষ্ট্ৰেলিয়ান অ'পেনত অংশ লোৱা নাছিল।

ইংলেণ্ড ২৭৫ ৰানত পৰাস্ত

# অষ্ট্ৰেলিয়াৰ ২-০ত অগ্ৰগতি



*ইংলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত জয়ৰ পাছত অষ্ট্ৰেলিয়াৰ খেলুৱৈ*

**এডিলেইড, ২০ ডিচেম্বৰঃ** ব্ৰীছবেনৰ পাছত এডিলেইডতো জয় অৰ্জন কৰিলে অষ্ট্ৰেলিয়াই। এছেজ শৃংখলাৰ দ্বিতীয় টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াই জয় অৰ্জন কৰিছে ২৭৫ ৰানত। এই জয়েৰে শৃংখলাত ২-০ত অগ্ৰগতি লাভ কৰিলে অষ্ট্ৰেলিয়াই। অসীম ধৈৰ্যৰে খেলি মেচখন ড্ৰ ৰখাৰ বাবে চেষ্টা কৰিছিল ইংলেণ্ডৰ উইকেটৰক্ষক জোছ বাটলাৰে। ২০৭ টা বল খেলে তেওঁ। সংগ্ৰহ কৰে ২৬ ৰান। কিন্তু এডিলেইডৰ দিবা-নৈশ মেচখনত শেষ ৰক্ষা নহ'ল ইংলেণ্ডৰ। অথলে গ'ল বাটলাৰৰ ধৈৰ্যশীল বেটিং। দ্বিতীয় টেষ্টৰ পঞ্চম দিনা জয়ৰ বাবে অষ্ট্ৰেলিয়াক প্ৰয়োজন আছিল মাত্ৰ ছটা উইকেটৰ। দেওবাৰৰ ৮২-৪ ৰ পৰা খেল আৰম্ভ কৰা ইংলেণ্ডৰ অলি পোপ আজি মাত্ৰ চাৰি ৰান কৰিয়েই আউট হয়। তাৰ পাছত বেন ষ্টকছৰ সৈতে যুটি বান্ধে বাটলাৰে। কিন্তু ১২ ৰানত আউট হৈ যায় ষ্টকছ। এনে অৱস্থাত মেচখন অষ্ট্ৰেলিয়াই সোনকালেই শেষ কৰিব বুলি ভাব হৈছিল। কিন্তু প্ৰতিৰোধ গঢ়ি তোলে দুই ইংলিছ ক্ৰিকেটাৰ বাটলাৰ আৰু ক্ৰিছ ৱকছে। বাটলাৰে লাহে-ধীৰে খেলাৰ বিপৰীতে কেইবাটাও শ্বট খেলে ৱকছে। মেচখন ধৰি ৰখাৰ বাবে তেওঁলোকে পূৰ্ণ চেষ্টা কৰিছিল। জায়ে ৰিচাৰ্ডছনৰ বলত বল্ড হোৱাৰ আগলৈকে ৯৭ টা বল খেলি ৪৪ ৰান কৰে ৱকছে। স্বভাৱবিৰুদ্ধ বেট কৰে বাটলাৰে। তেওঁৰ দৰে আক্ৰমণাত্মক বেটছমেনেও যে মন্থৰ ইনিংছ খেলিব পাৰে এডিলেইডত সেয়া দেখুৱাই দিলে বাটলাৰে। ধৈৰ্যৰে উইকেটত তিষ্ঠি থকাৰ অন্তত জায়ে ৰিচাৰ্ডছনৰ বলত হিট উইকেট হয় তেওঁ। ইয়াৰ পাছত জেমছ এণ্ডাৰছন আউট হোৱাৰ লগে লগে ১৯২ ৰানত সামৰণি পৰে ইংলেণ্ডৰ ইনিংছৰ। জায়ে ৰিচাৰ্ডছনে পাঁচটা উইকেট লাভ কৰে। ২৬ ডিচেম্বৰৰ পৰা মেলবৰ্নত আৰম্ভ হ'ব তৃতীয় টেষ্ট। এই টেষ্টত জয় অৰ্জন কৰিলেই শৃংখলা হস্তগত কৰিব অষ্ট্ৰেলিয়াই।

### স্ক'ৰ ব'ৰ্ড

**অষ্ট্ৰেলিয়া, প্ৰথম ইনিংছ ঃ** ৪৭৩-৯ (ইনিংছ সমাপ্তিৰ ঘোষণা)।

**ইংলেণ্ড, প্ৰথম ইনিংছ ঃ** ২৩৬।

**অষ্ট্ৰেলিয়া, দ্বিতীয় ইনিংছ ঃ** ২৩০-৯ (ইনিংছ সমাপ্তিৰ ঘোষণা)।

**ইংলেণ্ড, দ্বিতীয় ইনিংছ ঃ** (আগদিনাৰ স্ক'ৰ ৮২-৪ পৰা) বেন ষ্টকছ এল বি ডব্লিউ নাথান লিয়ন ১২, অলি পোপ কট ষ্টিভ স্মিথ বল মিচেল ষ্টাৰ্ক ৪, জোছ বাটলাৰ হিট উইকেট বল ৰিচাৰ্ডছন ২৬, ক্ৰিচ ৱকছ বল্ড ৰিচাৰ্ডছন ৪৪, অলি ৰবিনছন কট ষ্টিভ স্মিথ বল নাথান লিয়ন ৮, ষ্টুৱাৰ্ট ব্ৰড অপঃ ৯, জেমছ এণ্ডাৰছন কট কেমেৰন গ্ৰীণ বল ৰিচাৰ্ডছন ২, অতিৰিক্ত ৯, মুঠ ১৯২।

**উইকেট পতন ঃ** ১-৪, ২-৪৮, ৩-৭০, ৪-৮২, ৫-৮৬, ৬-১০৫, ৭-১৬৬, ৮-১৭৮, ৯-১৮২, ১০-১৯২।

**বলিং ঃ** মিচেল ষ্টাৰ্ক ২৭-১০-৪৩-২, জায়ে ৰিচাৰ্ডছন ১৯.১-৯-৪২-৫, নাথান লিয়ন ৩৯-১৬-৫৫-২, মাইকেল নেছেৰ ১৩-৫-২৮-১, কেমেৰন গ্ৰীণ ৯-৫-৯-০। মাৰ্নাছ লাবুচেন ৪-২-১০-০, ষ্টিভ স্মিথ ১-১-০-০, ট্ৰেভিছ হেড ১-১-০-০।

## অনূৰ্ধ্ব-১৯ বিশ্বকাপলৈ ভাৰতীয় দল ঘোষণা

**নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** আই চি চি অনূৰ্ধ্ব-১৯ বিশ্বকাপত ১৭ জনীয়া সদস্যৰ ভাৰতীয় দলটোক নেতৃত্ব দিব দিল্লীৰ বেটাৰ যশ ধুলে। প্ৰতিযোগিতাখন ১৪ জানুৱাৰীৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। চৰিবাৰৰ বিজয়ী ভাৰতে প্ৰতিযোগিতাখনত গ্ৰুপ 'বি'ত দক্ষিণ আফ্ৰিকা, আয়াৰলেণ্ড আৰু উগাণ্ডাৰ সৈতে স্থান লাভ কৰিছে। প্ৰত্যাশিতভাৱেই ভাৰতীয় দলটোৰ নেতৃত্ব লাভ কৰিছে যশ ধুলে। ২৩ ডিচেম্বৰৰ পৰা ইউ এ ইত অনুষ্ঠিত হ'ব লগা এছিয়া কাপৰ বাবেও তেওঁ ভাৰতীয় দলৰ নেতৃত্ব লাভ কৰিছে। অনূৰ্ধ্ব-১৯ বিশ্বকাপৰ দলটোত সহঃঅধিনায়ক হিচাপে স্থান লাভ কৰিছে অন্ধ্ৰৰ এছ কে ৰছীদে। প্ৰতিযোগিতাখনৰ নিজৰ প্ৰথম খেলত ১৫ জানুৱাৰীত ভাৰত সন্মুখীন হ'ব দক্ষিণ আফ্ৰিকাৰ। ভাৰতীয় দলটোঃ যশ ধুল (অধিনায়ক), হাৰ্ণ সিং, অংকৃষ ৰঘুৱংশী, এছকে ৰছীদ (সহঃঅধিনায়ক), নিশান্ত সিন্ধু, সিদ্ধাৰ্থ যাদৱ, আনীশ্বৰৰ গৌতম, দীনেশ বানা (উইকেটৰক্ষক), আৰাধ্য যাদৱ (উইকেটৰক্ষক), ৰাজ অংগদ বাৱা, মানৱ পাৰখ, কুশল টাম্বে, আৰএছ হাংগাৰজেকৰ, বাসু ভাটছ, ভিকী অ'স্তৱাল, ৰবিকুমাৰ, গৰ্ব ছাংৱান। ষ্টেণ্ডবাই খেলুৱৈঃ ৰিশিত ৰেড্ডী, উদয় চৰণ, অংশ গোছাই, অমৃতৰাজ উপাধ্যায়, পিএম সিং ৰাথোড়।

# অনুশীলনত কঠোৰ দ্ৰাৱিড়, পূৰ্ণ প্ৰস্তুতি চলাইছে ভাৰতে



*অনুশীলনত কে এল ৰাহুল*

**জোহানেছবাৰ্গ, ২০ ডিচেম্বৰঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাত অৱতীৰ্ণ হোৱাৰ পূৰ্বে অনুশীলনত কোনো সুৰুঙা থকাটো বিচৰা নাই ভাৰতীয় দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে। তেওঁ বিচাৰিছে খেলুৱৈসকলে পূৰ্ণ অনুশীলনত অংশ লৈ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলপথাৰত নমাৰ বাবে প্ৰস্তুতি চলাওক। চেঞ্চুৰিয়নৰ ছুপাৰস্পৰ্ট পাৰ্কত সোমবাৰে পূৰ্ণ অনুশীলন কৰে ভাৰতীয় দলে। বিৰাট কোহলি, চেটেশ্বৰ পূজাৰা আদিয়ে নেটত ঘাম উলিয়ালে। অনুশীলনতো কঠোৰ প্ৰশিক্ষক দ্ৰাৱিড়। বি চি চি আয়ে পোষ্ট কৰা এটা ভিডিঅ'ত তেওঁক 'সঠিক অনুশীলন', 'অগ্ৰাসী মনোভাৱ' আদিৰ দৰে শব্দ উচ্চাৰণ কৰা শুনা গৈছে। ডাৱৰীয়া বতৰক লৈ অৱশ্যে চিন্তিত বেটিং প্ৰশিক্ষক বিক্ৰম ৰাথোড়। তেওঁ কৈছে—'আজি মাজৰ উইকেটত অনুশীলন কৰিছো। নতুনকৈ প্ৰস্তুত কৰা উইকেট আৰু আকাশ মেঘাচ্ছন্ন হোৱাত ক্ৰিকেটাৰসকল কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কিন্তু খেলুৱৈসকলৰ অনুশীলন দেখি মই আনন্দিত।' বেটাৰ শ্ৰেয়স আয়াৰৰ মতে চেঞ্চুৰিয়নত বলাৰে সুযোগ পাব। কিন্তু ডাৱৰীয়া বতৰক লৈ চিন্তিত বলিং প্ৰশিক্ষক পৰশ মামব্ৰেও। ঈশান্ত শৰ্মাই প্ৰশংসা কৰিলে দুই সতীৰ্থ যশপ্ৰীত বুমৰা আৰু মহম্মদ ছামিক। তেওঁৰ মতে বেটাৰৰ লগতে উভয় বলাৰেও অনুশীলনত ভাল প্ৰদৰ্শন আগবঢ়াইছে।

## চিটী ক্ৰিকেট ক্লাবৰ অনায়াস জয়

**'আমাৰ অসম'ৰ ক্ৰীড়া প্ৰতিবেদক, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ সোমবাৰৰ খেলত চিটী ক্ৰিকেট ক্লাবে অংকুৰজ্যোতি ক্লাবক ২৬৭ ৰানত বৃহৎ ব্যৱধানত পৰাস্ত কৰে। মেচখনত প্ৰথমে বেটিং কৰি চিটী ক্ৰিকেট ক্লাবে শিৱশংকৰ ৰয়ৰ ১২২ ৰান আৰু ৰোমাৰিঅ' শৰ্মাৰ ৮৮ ৰানৰ সহায়ত ৪০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ৩০২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত অংকুৰজ্যোতি ক্লাব ১৭.২ অ'ভাৰত ৩৫ ৰানতে অল আউট হয়। অভিজিত সিং সিধুৱে ৭টা উইকেট লাভ কৰে।

# বিডব্লিউএফ এথলেটছ কমিছনৰ সদস্য নিযুক্ত পিভি সিন্ধু



*পি ভি সিন্ধু*

**নতুন দিল্লী, ২০ ডিচেম্বৰ ঃ** দুবাৰৰ অলিম্পিক পদক জয়ী দেশৰ তাৰকা শ্বটলাৰ পি ভি সিন্ধু নিযুক্ত হৈছে বেডমিণ্টন ৱ'ৰ্ল্ড ফেডাৰেশ্বনৰ (বি ডব্লিউ এফ) এথলেটছ কমিছনৰ সদস্য হিচাপে। সোমবাৰে ২৬ বৰ্ষীয় সিন্ধুৰ লগতে আন পাঁচজনক এথলেটছ কমিছনৰ সদস্য হিচাপে নিযুক্তি দিয়া হয়। তেওঁলোকে ২০২৫ চন পৰ্যন্ত সদস্য হিচাপে সেৱা আগবঢ়াব। এক বিবৃতিত সোমবাৰে বি ডব্লিউ এফে কয়—'বি ডব্লিউ এফ এথলেটছ কমিছন ২০২১-২০২৫ৰ বাবে ছয় সদস্যৰ নাম ঘোষণা কৰিছে বি ডব্লিউ এফে। তেওঁলোক হ'ল—আইৰিছ ৱাং (আমেৰিকা), ৰবিন টাবেলিং (নেডাৰলেণ্ডছ), গ্ৰেইছিয়া প'লি (ইণ্ডোনেছিয়া), কিম ছ'য়েঅং (কোৰিয়া), পি ভি সিন্ধু (ভাৰত) আৰু ঝেং ছি ৱেই (চীন)।' ২০১৬ ৰিঅ' অলিম্পিকত ৰূপৰ পদক জয়ী সিন্ধুৱে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয়েৰে ইতিহাস ৰচনা কৰিছিল। বিশ্ব চেম্পিয়নশ্বিপত খেলুৱৈ গৰাকীয়ে দুটা ৰূপ, দুটা ব্ৰঞ্জৰ লগতে ২০১৯ চনত স্বৰ্ণ পদক জয় কৰিছিল।

# পাকিস্তানৰ দ্বিতীয় কনিষ্ঠ খেলুৱৈ হিচাপে ত্ৰিশতক মহম্মদ হুৰাইৰাৰ

**নতুন দিল্লী, ২০ ডিচেম্বৰঃ** পাকিস্তানৰ প্ৰাক্তন অধিনায়ক ছোৱাইব মালিকৰ নিকট আত্মীয় মহম্মদ হুৰাইৰায়ে চলিত কুৱাইড-য়াৰ-আজম ট্ৰফীত এক নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাখনত কৰা প্ৰদৰ্শনেৰে তেওঁ পৰিগণিত হৈছে ত্ৰিশতক অৰ্জন কৰা দেশখনৰ দ্বিতীয় কনিষ্ঠ ক্ৰিকেটাৰ হিচাপে। প্ৰথম শ্ৰেণীৰ ছীজনত অভিষেক ঘটা খেলুৱৈজনে ১৯ বছৰ আৰু ২৩৯ দিনত ত্ৰিশতক অৰ্জন কৰে। পাকিস্তানৰ ভূমিত হোৱা এইটো ২৩ সংখ্যক ত্ৰিশতক। বেলোচিস্তান বিৰুদ্ধে নৰ্ডানৰ হৈ অংশ লোৱা খেলখনত ৩৪১ টা বল খেলি ৩১১ ৰানত অপৰাজিত হৈ ৰয় হুৰাইৰা। তেওঁৰ ইনিংছত আছিল ৪০ টা বাউণ্ডেৰী আৰু চাৰিটা ছয়। চলিত ছীজনত খেলুৱৈজনে তিনিটা শতক অৰ্জন কৰিছে।

## জুনিয়ৰ ৰেংকিং টেনিছত অন্তৰীক্ষৰ দ্বিমুকুট

**'আমাৰ অসম'ৰ ক্ৰীড়া প্ৰতিবেদক, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** নৰ্থ-ইষ্ট টেনিছ ফাউণ্ডেশ্বনত দেওবাৰে সামৰণি পৰা ৩১ সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত গোলাঘাটৰ অন্তৰীক্ষ তামুলীয়ে দ্বিমুকুট অৰ্জন কৰে। অন্তৰীক্ষ তামুলীয়ে ল'ৰাৰ ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ ফাইনেলত ভাস্বত পি বৰাক ৬-৩, ৬-২ আৰু ১৪ বছৰ অনূৰ্ধ্ব শাখাৰ ফাইনেলত ৰিয়ান কাশ্যপক ৬-১, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। তদুপৰি ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্ব শাখাত নম্ৰতা দাসে তানিয়া কুমাৰীক ৬-১, ৬-৭(১), ৬-৩ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰে। একেদৰে পুৰুষৰ ফাইনেলত টুটু থাপাই কৃতান্ত শৰ্মাক ৭-৬ ৭-৬ ব্যৱধানত পৰাস্ত কৰি খিতাপ জয় কৰে। আনহাতে, ১৪ বছৰ অনূৰ্ধ্ব ছোৱালীৰ শাখাত আদ্ৰিকা ৰাজকুমাৰী, ১২ বছৰ অনূৰ্ধ্ব ল'ৰাৰ শাখাত পাৰ্থিৱ কলিতা আৰু ১০ বছৰ অনূৰ্ধ্ব ল'ৰা-ছোৱালী শাখাত নিব্ৰাছ কে হুচেইন চেম্পিয়ন হয়।

## ২৩ জানুৱাৰীত বিদাং ফাইটিং চেম্পিয়নশ্বিপ

**'আমাৰ অসম'ৰ ক্ৰীড়া প্ৰতিবেদক, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** বিদাং মিক্সড মাৰ্চিয়েল আৰ্টছৰ উদ্যোগত ২৩ জানুৱাৰীত বিদাং ফাইটিং চেম্পিয়নশ্বিপৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। প্ৰাগ নিউজৰ সহযোগিতাত গুৱাহাটীৰ গ্ৰীণউড ৰিজ'ৰ্টত অনুষ্ঠিত হ'ব এই সমৰকলা প্ৰতিযোগিতা। আজি এখন সংবাদমেলত বিদাং ফাইটিং চেম্পিয়নশ্বিপৰ বিষয়ে ঘোষণা কৰা হয়।

## টি জি বৰুৱা মিডিয়া ক্ৰিকেট আৰম্ভ

**'আমাৰ অসম'ৰ ক্ৰীড়া প্ৰতিবেদক, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত সোমবাৰৰ পৰা নৱম সংখ্যক টি জি বৰুৱা সোঁৱৰণি মিডিয়া টি-২০ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত প্ৰতিদিন টাইমক মাই নিউজ এন ইয়ে ৬ উইকেটত পৰাস্ত কৰে। মেচখনত প্ৰথমে বেটিং কৰি প্ৰতিদিন টাইমে ২০ অ'ভাৰত ৮টা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মাই নিউজে ১৩ অ'ভাৰত ৪টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। আন এখন খেলত এন কে টি ভিয়ে দৈনিক অগ্ৰদুতক ১২৭ ৰানত পৰাস্ত কৰে। মেচখনত প্ৰথমে বেটিং কৰি এন কে টি ভিয়ে ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ১৯২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত অগ্ৰদুতে ৬৫ ৰানত ইনিংছ সামৰিবলৈ বাধ্য হয়।

## শ্ৰীলংকাত স্বৰ্ণ জয় ৬৬ বছৰীয়া শশী খাউণ্ডৰ

**'আমাৰ অসম'ৰ ষ্টাফ ৰিপ'ৰ্টাৰ, লখিমপুৰ, ২০ ডিচেম্বৰ ঃ** মানসিক শক্তি আৰু একাগ্ৰতা থাকিলে যে বয়স হেঙাৰ হ'ব নোৱাৰে সেই কথা প্ৰমাণিত কৰিলে লখিমপুৰৰ শশী খাউণ্ডে। উত্তৰ লখিমপুৰ চিডি ৰোডৰ নিবাসী ৬৬ বছৰীয়া শশী খাউণ্ডে শ্ৰীলংকাৰ কলম্বোত যোৱা ১১ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় এচ বি কে এফ চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি দুটাকৈ সোণৰ পদক লাভ কৰিছে। শশী খাউণ্ডে লং জাম্প আৰু ১০০ মিটাৰ দৌৰত অংশগ্ৰহণ কৰি সোণৰ পদক অৰ্জন কৰে। তেওঁ ২০১৭ চনত দেশক প্ৰতিনিধিত্ব কৰি চীনত সন্মান বুটলিবলৈ সক্ষম হৈছিল।

# পুনৰ পাকিস্তান ভ্ৰমণলৈ আহিব নিউজীলেণ্ড

**ইছলামাবাদ, ২০ ডিচেম্বৰ ঃ** নিৰাপত্তাজনিত কাৰণত চলিত বৰ্ষত শৃংখলাত অংশ নোলোৱাকৈয়ে পাকিস্তানৰ পৰা উভতি গৈছিল নিউজীলেণ্ড ক্ৰিকেট দল। কিন্তু সেই ভ্ৰমণ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে ৫ খন এদিনীয়া আৰু ৫ খন টি-২০ত অংশ লোৱাৰ বাবে নিউজীলেণ্ডে পুনৰ পাকিস্তান ভ্ৰমণ কৰিব বুলি প্ৰকাশ কৰিছে পাকিস্তান ক্ৰিকেট ব'ৰ্ডে (পি চি বি)। পি চি বিয়ে সোমবাৰে প্ৰকাশ কৰা মতে ২০২৩ চনৰ এপ্ৰিলত নিউজীলেণ্ডে পুনৰ পাকিস্তান ভ্ৰমণ কৰিব। চলিত বৰ্ষৰ ছেপ্টেম্বৰত ৰাৱালপিণ্ডিত প্ৰথম এদিনীয়াত অংশ লোৱাৰ পূৰ্বেই পাকিস্তান ভ্ৰমণ বাতিল কৰিছিল নিউজীলেণ্ডে। ইয়াৰ পাছতে ইংলেণ্ডেও পাকিস্তান ভ্ৰমণ বাতিল কৰিছিল। ২০২৩ চনত নিউজীলেণ্ডে পাকিস্তানত অংশ ল'ব লগা খেলৰ তাৰিখ আৰু ভেন্যু অৱশ্যে এতিয়াও ঠিক হোৱা নাই। পি চি বিয়ে আৰু প্ৰকাশ কৰা মতে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ হিচাপে দুখন টেষ্টত অংশ লোৱাৰ বাবে ডিচেম্বৰ ২০২২ চনত নিউজীলেণ্ডে পাকিস্তান ভ্ৰমণ কৰিব। ভাৰতত অনুষ্ঠিত হ'ব লগা ২০২৩ বিশ্বকাপলৈ লক্ষ্য কৰি নিউজীলেণ্ডে তিনিখন এদিনীয়াতো অংশ ল'ব। পি চি বিৰ অধ্যক্ষ ৰামিজ ৰাজা আৰু নিউজীলেণ্ড ক্ৰিকেটৰ মুৰব্বী মাৰ্টিন স্নেডেনৰ মাজত হোৱা আলোচনাত নিউজীলেণ্ডৰ দুবাৰৰ পাকিস্তান ভ্ৰমণ নিশ্চিত হয় বুলি প্ৰকাশ কৰিছে পি চি বিয়ে।

## চেনিমাৰী লোকেল বয়জৰ অগ্ৰগতি

**'আমাৰ অসম'ৰ নগাঁৱৰ ক্ৰীড়া প্ৰতিবেদক, ২০ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত অনুষ্ঠিত সদৌ অসম প্ৰাইজমানী ক্ৰিকেট প্ৰতিযোগিতাত জাগীৰোডৰ চেনিমাৰী লোকেল বয়জে অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত চেনিমাৰী লোকেল বয়জে এন কে ইলেভেনক আঠ উইকেটত পৰাস্ত কৰে। খেলখনত এন কে ইলেভেনে পোনতে বেট ধৰি য়াহিয়া শ্বেইখৰ-২৭ ৰানৰ বৰঙনি সত্বেও বিপক্ষৰ বাবু আলি , পিণ্টু আলি আৰু মুস্তাফিজুৰ ৰহমানৰ বলিঙৰ সন্মুখত ১১.৩ অভাৰতে সকলোকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫১ ৰানহে কৰিবলৈ সক্ষম হয়। প্ৰত্যুত্তৰত চেনিমাৰী লোকেল বয়জে ৫.১ অভাৰতে দুটা উইকেটৰ বিনিময়ত ৫৩ ৰান সংগ্ৰহৰে জয়ৰ লক্ষ্য অতিক্ৰম কৰে।

## লিডুত অসম ভিত্তিত আমন্ত্ৰণমূলক বক্সিং

**'আমাৰ অসম'ৰ লিডুৰ প্ৰতিবেদক, ২০ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা জিলা ক্ৰীড়া সন্থা আৰু লিডু-মাৰ্ঘেৰিটা বক্সিং একাডেমীৰ সৌজন্যত ২৪-২৬ ডিচেম্বৰত তিনিদিনীয়াকৈ শ্যাম ডেনিয়েল আৰু শ্যাম প্ৰসাদ শৰ্মা সোঁৱৰণী অসম ভিত্তিত আমন্ত্ৰণমূলক বক্সিং প্ৰতিযোগিতা লিডু ৰেলৱে ৰঙ্গমঞ্চৰ প্ৰাঙ্গণত আয়োজন কৰা হৈছে। প্ৰণৱেশ সৰকাৰক সভাপতি, দীপক চেতিয়া, ধীৰাজ সোণোৱালক কাৰ্যকৰী সভাপতি, সুখদেৱ শৰ্মাক মুখ্য সম্পাদক আৰু সুনীল গুৰুঙক মুখ্য আহ্বায়ক হিচাপে লৈ গঠিত উদ্‌যাপন সমিতিয়ে এখন উন্নত মানৰ প্ৰতিযোগিতা আয়োজনৰ বাবে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। প্ৰতিযোগিতাত ১৭ খন জিলাৰ পৰা মুঠ ৪৫০ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতা উদ্বোধন কৰিব মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোমে।

## উত্তৰ গুৱাহাটী মাৰ্জীয়া এফ চি চেম্পিয়ন

**'আমাৰ অসম'ৰ দুমুনিচকীৰ প্ৰতিবেদক, ২০ ডিচেম্বৰ ঃ** পশ্চিম দৰং উন্নয়ন পৰিষদৰ উদ্যোগত দুমুনিচকী হাইস্কুল খেলপথাৰত ১৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত তৃতীয় বাৰ্ষিক দিবা-নৈশ প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখন দেওবাৰে নিশা সামৰণি পৰে। ১৭ ডিচেম্বৰৰ সন্ধিয়া তৃতীয় বাৰ্ষিক দিবা নৈশ ফুটবল প্ৰতিযোগিতা উদ্বোধন কৰে মঙলদৈৰ সাংসদ দিলীপ শইকীয়াই। প্ৰতিযোগিতাৰ চূড়ান্ত খেলত উত্তৰ গুৱাহাটী মাৰ্জীয়া এফ চিয়ে কালিয়াপৰা মিলনজ্যতি সংঘৰ ২-০ গ'লত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে অমৃত বসুমতাৰীয়ে। মেন অব দ্য মেচৰ সন্মান লাভ কৰে বাওৰিংদাও বড়োয়ে।

## দিকৰায় চাহ বাগিচা বিজয়ী

**'আমাৰ অসম'ৰ কামপুৰৰ প্ৰতিবেদক, ২০ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কন্দলী চাহ বাগিচা খেল পথাৰত কন্দলী যুৱ সংঘৰ সৌজন্যত অনুষ্ঠিত প্ৰাইজমানী ফুটবলৰ ফাইনেলখন দিকৰায় চাহ বাগিছা, বিশ্বনাত চাৰিআলি আৰু অক্ৰেং গ্ৰীণ ক্লাব, কাৰ্বি আংলঙৰ মাজত অনুষ্ঠিত হয়। চূড়ান্ত খেলত দিকৰায় চাহ বাগিচা দলে অক্ৰেং গ্ৰীণ ক্লাবক ১-০ গ'লত পৰাস্ত কৰি চেম্পিয়ন হয়।


**SALE NOTICE FOR ASSETS OF HINDUSTAN PAPER CORPORATION LIMITED- In Liquidation**
(A Company under Liquidation vide Hon'ble NCLT order dated 02nd May 2019)
Registered Office of the Company: South Tower,4th Floor, Scope Minar Complex, Laxminagar, District Centre, New Delhi-110092.

Public Announcement for e-auction to be held on 21.01.2022 from 12:00 noon till 06 PM for sale of following assets of Hindustan Paper Corporation Limited-In Liquidation under Insolvency and Bankruptcy Code 2016 (Refer E-auction Process document for details) on **AS IS WHERE IS BASIS, AS IS WHAT IS BASIS, WHATEVER THERE IS BASIS AND NO RECOURSE BASIS")** THROUGH E-Auction service provider MSTC Limited. To participate & registration log on to www.mstcecommerce.com and for more detailed terms and conditions visit www.mstcinida.co.in

| Location/Assets | Address/Area | Lot | Reserve Price (INR) | EMD (INR) |
|---|---|---|---|---|
| 1. Nagaon Paper Mill (NPM)(A unit of HPC Limited) 2. Cachar Paper Mill (CPM) (A unit of HPC Limited) (Both Plant technical area, township area along with all ssets lying at NPM and CPM) 3. Leasehold Land at Haflong | 1. Nagaon Paper Mill, Near Jagiroad Town, National Highway No. 37, Morigaon District, Assam. Land Area of subject property-573.95 acres more or less 2. Cachar Paper Mill Situated near Panchgram Railway Station, National Highway No. 53, Badarpur Uttar & Dakshin, Tehsil: Aglapur, District Hailakandi, Assam Land Area of subject property-1008 acres more or less 3. Haflong, Dima Hasao District measuring 10 Khatas(Pata No-295, Dag No-25) more or less | Lot-1 | 567 crores | 28.35 crores |
| 1 Residential Flat in Guwahati (Refer Note 1) | Flat No.103, First Floor, Block No. A-15, National Games Village, National Highway No. 37, Borsaji, Mouja, Beltola, District Kamrup, Assam. Measuring Super-built up area 1,250 square feet more or less | Lot-2 | 0.42 crores | 2 lakhs |
| 1 Residential Flat in Guwahati (Refer Note 1) | Flat No. 104, First Floor, Block No. A-15, National Games Village, National Highway No. 37, Borsaji, Mouja, Beltola, District Kamrup, Assam. Measuring Super-built up area 1,250 square feet more or less | Lot-3 | 0.42 crores | 2 lakhs |
| 1 Residential Flat in Mumbai | Flat No. 301, 3rd Floor in Building No. 15(Aniket) of Prem Jyoti Housing Society Limited, Off Chembur Mankhurd Link Road, Chembur, District Mumbai-400043, Maharashtra Measuring Carpet Area 652 square feet more or less | Lot-4 | 1.00 crores | 5 lakhs |
| Office at Delhi (Leasehold Property) The auction for Lot-5 is restricted to only PSU entity as per letter dated 24.08.2021 issued by SCOPE along with other terms & conditions. | Scope Minar, 4th Floor, South Tower, Core-4, Laxminagar District Centre, Delhi-110002. Measuring 547.64 square meter more or less | Lot-5 | 8.50 crores | 43 lakhs |
| 1,13,62,231 Equity Shares of Rs. 100 each of Nagaland Pulp & Paper Company Limited | Nagaland Pulp & Paper Company Limited (CIN: U21012NL1971SGC001349) having its registered office at PAPER NAGAR , P.O. - TULI, DIST - MOKOKCHUNG NL 798623 | Lot-6 | 12.42 crores | 62 lakhs |

Note:
1) There is only agreement to sale and the flat is not yet registered in the name of Hindustan Paper Corporation Limited.
Last date for receipt of Expression of Interest (EOI) is 30.12.2021 by 5 pm. The auction will be cancelled in case no EOI is received by 30.12.2021. All EOIs are subject to Invitations uploaded on http://hindpaper.in. All communication to be addressed to kuverma@gmail.com/liquidation.hpcl@gmail.com

Kuldeep Verma
Liquidator of Hindustan Paper Corporation Limited
IBBI Regn No-IBBI/IPA-001/IP-P00014/2016-17/10038
Registered Address: 46 B.B Ganguly Street, 5th Floor
Unit No.-501, Kolkata-700012
Registered Email id: E: kuverma@gmail.com
Phone: +91 98360 77900
Date: 21.12.2021
Place: Kolkata